# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। গুজৰাটৰ কাণ্ডালা বন্দৰত ভাৰতৰ প্ৰথমটো সেউজ হাইড্ৰজেন প্ৰকল্প স্থাপন কৰা হৈছে।

২। ফিলিপিনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনেণ্ড আৰ মাৰ্কোছ্ জুনিয়ৰ পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কাইলৈ নতুন দিল্লীত উপস্থিত হ'ব।

৩। ৰাষ্ট্ৰীয় জনতা দলৰ নেতা তেজস্বী প্ৰসাদ যাদৱক নিৰ্বাচন আয়োগে ভোটাৰ পৰিচয় পত্ৰৰ সন্দৰ্ভত সবিশেষ তথ্য দাখিলৰ নিৰ্দেশ দিছে।

৪। অন্ধ্ৰপ্ৰদেশৰ এটা গ্ৰেনাইট কুৱেৰীত আজি সংঘটিত এটা দুৰ্ঘটনাত ছজন শ্ৰমিক মৃত্যু হোৱাৰ লগতে আন তিনিজন আহত হয়। *আৰু*

৫। ভাৰতৰ বিৰুদ্ধে অ'ভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিম টেষ্টখনৰ আজি চতুৰ্থ দিনা ইংলেণ্ডে দ্বিতীয় ইনিংছত বাতৰি যুগুতোৱাৰ পৰলৈকে তিনিটা উইকেট হেৰুৱাই ২২৩ ৰাণ সংগ্ৰহ কৰিছে।

০০০০০

গুজৰাটৰ কাণ্ডালা বন্দৰত ভাৰতৰ প্ৰথমটো সেউজ হাইড্ৰজেন প্ৰকল্প স্থাপন কৰা হৈছে। দীনদয়াল কাণ্ডালা বন্দৰৰ কৰ্তৃপক্ষই জনোৱা মতে এই প্ৰকল্পই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শূন্য কাৰ্বন নিৰ্গমন লক্ষ্য পূৰণত সহায় কৰিব। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বন্দৰ কৰ্তৃপক্ষই গ্ৰহণ কৰা এই প্ৰচেষ্টা শলাগিবলগীয়া। ভাৰত চৰকাৰে শূন্য কাৰ্বন নিৰ্গমন নীতিৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহক এই প্ৰকল্পই অধিক উৎসাহিত কৰিব।

০০০০০

ফিলিপিনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনেণ্ড আৰ মাৰ্কোছ্ জুনিয়ৰ পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কাইলৈ নতুন দিল্লীত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে তেওঁৰ পত্নী লুইছ্ আৰনেটা মাৰ্কোছ্ আৰু কেইবাগৰাকীও কেবিনেট মন্ত্ৰী, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায় প্ৰতিনিধিৰ এটা উচ্চ পৰ্যায়ৰ দলো আহিব। উল্লেখযোগ্য যে ফিলিপিনছৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমাৰ্কোছৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিলিপিনছৰ ৰাষ্ট্ৰপতিগৰাকী দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। শ্ৰীমাৰ্কোছে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয় শংকৰেও ৰাষ্ট্ৰপতি মাৰ্কোছক সাক্ষাৎ কৰাৰ কথা। ফিলিপিনছলৈ উভতি যোৱাৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে বেংগালুৰুলৈ যাব। ভাৰত আৰু ফিলিপিনছৰ মাজত ১৯৪৯ চনতেই কূটনৈতিক সম্পৰ্ক গঢ় লৈ উঠিছিল। তেতিয়াৰে পৰা দেশ দুখনৰ মাজত ব্যৱসায়, বিনিয়োগ, প্ৰতিৰক্ষা, নিৰাপত্তা, সামুদ্ৰিক সহযোগিতা, কৃষি, স্বাস্থ্যসেৱা আৰু ডিজিটেল প্ৰযুক্তি আদি বিভিন্ন ক্ষেত্ৰত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। ভাৰতৰ আছিয়ানৰ সৈতে থকা সৰ্বাত্মক কৌশলগত অংশীদাৰিত্বৰ জৰিয়তে ফিলিপিনছৰ সৈতে আঞ্চলিক পৰ্যায়ৰ বিভিন্ন ক্ষেত্ৰতো

বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। এক্ট-ইষ্ট নীতি, মহাসাগৰ, ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত ফিলিপিনছৰ সৈতে থকা ভাৰতৰ সম্পৰ্ক এটা এৰাব নোৱাৰা বিষয়। ভাৰত-ফিলিপিনছৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ ৭৫ বছৰীয়া হোৱাৰ উপলক্ষে ৰাষ্ট্ৰপতি মাৰ্কোছ ভাৰত ভ্ৰমণলৈ আহিব। দ্বিপাক্ষিক সহযোগিতা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ক্ষেত্ৰত থকা দেশ দুখনৰ মাজৰ সম্পৰ্কক আৰু অধিক শক্তিশালী কৰাৰ বাবে মাৰ্কোছৰ ভাৰত ভ্ৰমণ নেতা দুগৰাকীৰ বাবে এটা সুন্দৰ সুযোগ।

০০০০০

ৰাষ্ট্ৰীয় জনতা দলৰ নেতা তেজস্বী প্ৰসাদ যাদৱৰ ভোটাৰ পৰিচয় পত্ৰক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ভাৰতৰ নিৰ্বাচন আয়োগে নেতাগৰাকীৰ ভোটাৰ পৰিচয় পত্ৰক লৈ সৃষ্টি হোৱা বিতৰ্কৰ পাছত সমগ্ৰ বিষয়টো তদন্তৰ বাবে যাদৱক আজি সবিশেষ তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। দিঘা সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়াগৰাকীয়ে কৈছে যে তেজস্বী যাদৱে সংবাদমেলত প্ৰদৰ্শন কৰা ভোটাৰ পৰিচয় পত্ৰখন নিৰ্বাচন আয়োগে প্ৰদান কৰা ভোটাৰ পৰিচয় পত্ৰ নহয়। উল্লেখযোগ্য যে কালি এখন সংবাদমেল সম্বোধন কৰি আৰ জে ডিৰ নেতাগৰাকীয়ে তেওঁৰ নামটো খচৰা ভোটাৰ তালিকাৰ পৰা বাদ পৰাৰ অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ পাছতে পাটনাৰ জিলা নিৰ্বাচনী বিষয়া তথা জিলা দণ্ডাধীশ ড০ থংগৰঞ্জনে তেওঁৰ অভিযোগ নাকচ কৰে। জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে ৰাজহুৱাভাৱে খচৰা ভোটাৰ তালিকা প্ৰদৰ্শন কৰি কয়, যে তেজস্বী যাদৱে অনা অভিযোগ শুদ্ধ নহয়। তেওঁ লগতে কয়, যে বিহাৰৰ পশু বিজ্ঞান বিশ্ববিদ্যালয়ত থকা ২০৪ নম্বৰ বুথত তেজস্বী যাদৱৰ নাম উল্লেখ আছে। ইয়াৰ পাছতে নিৰ্বাচন আয়োগে বিহাৰৰ নেতাগৰাকীক প্ৰকৃত ভোটাৰ পৰিচয় পত্ৰৰ সৈতে আন আনুসংগিক তথ্য আয়োগত দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। ইফালে বিজেপিয়ে আৰ জে ডি নেতা তেজস্বী যাদৱে দুখনকৈ পৃথক ভোটাৰ পৰিচয় পত্ৰ লগত ৰখাৰ অভিযোগ উত্থাপন কৰে। বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই আজি এখন সংবাদমেলত কয়, যে তেজস্বী যাদৱে দুখন পৃথক ভোটাৰ পৰিচয় পত্ৰ লগত ৰাখি অপৰাধ সংঘটিত কৰিছে। তেওঁৰ প্ৰকৃত ভোটাৰ পৰিচয় পত্ৰখনৰ তথ্য ৰাজহুৱা কৰিবলৈও দাবী উত্থাপন কৰে। বিজেপিৰ মুখপাত্ৰগৰাকীয়ে লগতে কয়, যে ২০২০ চনত নিৰ্বাচনী শপতনামাত তেজস্বী যাদৱে দাখিল কৰা ভোটাৰ পৰিচয় পত্ৰখনৰ সৈতে কালি সংবাদমেলত প্ৰদৰ্শন কৰা ভোটাৰ পৰিচয় পত্ৰৰ কোনো মিল নাই।

০০০০০

দিল্লী বিধানসভাৰ বৰ্ষাকালীন অধিৱেশন কাইলৈৰ পৰা আৰম্ভ হ'ব। দিল্লী সচিবালয়ে জনোৱা মতে দিল্লী বিধানসভাৰ তৃতীয় সত্ৰ কাইলৈ দুপৰীয়া ২ বজাত আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই এই সত্ৰৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি কয়, যে ৰাজধানী দিল্লীৰ বাবে এই সত্ৰই এটা সোণালী অধ্যায় ৰচিব কিয়নো এইবাৰ বিধানসভাৰ কাম-কাজসমূহ সম্পূৰ্ণ ডিজিটেল পদ্ধতিৰে সম্পন্ন কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ গোণ্ডাত সংঘটিত পথ দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছে। তেওঁ আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীমোদীয়ে কয়, যে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা প্ৰতিগৰাকী নিহতৰ নিকটাত্মীয়লৈ ২ লাখকৈ টকাৰ এককালীন সাহায্য আগবঢ়োৱা হ'ব। এই দুৰ্ঘটনাত আহতসকলক ৫০ হাজাৰ টকাকৈ সাহায্য দিয়া হ'ব বুলিও তেওঁ ঘোষণা কৰে।

০০০০০

অন্ধ্ৰপ্ৰদেশৰ বাপাট্‌লা জিলাৰ বাল্লিকুৰাভা অঞ্চলৰ এটা গ্ৰেনাইট কুৱেৰীত আজি সংঘটিত এটা দুৰ্ঘটনাত ছজন শ্ৰমিক মৃত্যু হোৱাৰ লগতে আন তিনিজন আহত হয়। জানিব পৰা মতে শ্ৰমিকসকলে খনন কাৰ্য চলাই থকাৰ সময়তে তেওঁলোকৰ ওপৰত এটা বৃহৎ গ্ৰেনাইট শিল বাগৰি পৰাৰ ফলতেই এই শোকাৱহ ঘটনাটো সংঘটিত হয়। আহতসকলক নাৰাচৰাওপেটত থকা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। এই দুৰ্ঘটনাটোৰ সময়ত কুৱেৰীটোত ১৬ জন শ্ৰমিক আছিল। ভুক্তভোগী আটাইকেইজন শ্ৰমিকেই ওড়িশাৰ বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে এই দুৰ্ঘটনাত শোক প্ৰকাশ কৰিছে আৰু তাৎক্ষণিক উদ্ধাৰ অভিযান তথা আহতসকলৰ চিকিৎসা কৰাৰ নিৰ্দেশ দিছে।

০০০০০

ইজৰাইলৰ সৈতে হোৱা যুদ্ধ বিৰতিৰ পাছত ইৰাণে দেশখনৰ আকাশমাৰ্গ বিমান চলাচলৰ বাবে সম্পূৰ্ণভাৱে মুকলি কৰি দিছে। ইৰাণৰ অসামৰিক বিমান পৰিবহণ সংস্থাই জনোৱা মতে সম্প্ৰতি ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় উভয় বিমান সেৱা স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছে। তেহৰানৰ মেহৰাবাদ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ২৪ ঘণ্টীয়া বিমান সেৱা পুনৰ আৰম্ভ হৈছে। উল্লেখযোগ্য যে যোৱা ১৩ জুনত ইৰানে ইজৰাইলৰ বিমান আক্ৰমণৰ পাছত আকাশমাৰ্গ বিমান চলাচলৰ বাবে সম্পূৰ্ণৰূপে বন্ধ কৰি দিছিল।

০০০০০

ৰাছিয়াৰ কামচাট্‌কা উপদ্বীপত থকা ক্ৰ’ছেনিনিক’ভ আগ্নেয়গিৰি আজি ৬০০ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে উদগিৰণ হয়। স্থানীয় কৰ্তৃপক্ষই জনোৱা মতে ৰাছিয়াৰ সময় অনুসৰি পুৱতি নিশা ২ বাজি ৫০ মিনিটত এই উদগিৰণ হয় যাৰ বাবে সমুদ্ৰপৃষ্ঠৰ ৪ মিটাৰ ওপৰলৈ ছাইৰ ডাৱৰে আৱৰি ধৰে। আগ্নেয়গিৰি উদগিৰণৰ বাবে বিমান পৰিবহণত ব্যাঘাত জন্মিব পাৰে বুলি সতৰ্কতা জাৰি কৰা হৈছে। দেশখনত শেহতীয়াকৈ অহা ৮ দশমিক ৭ প্ৰাবল্যৰ ভূমিকম্প আৰু পাছত ঘনে ঘনে হৈ থকা জোকাৰণিৰ ফলতেই এই  আগ্নেয়গিৰি উদগিৰণ হোৱা বুলি ধাৰণা কৰা হৈছে। ইয়াৰ বাবে চুনামীৰ সতৰ্কতাও জাৰি কৰা হৈছে।

ইয়াৰ পূৰ্বে ১৪৬৩ চনত ক্ৰ’ছেনিনিক’ভ আগ্নেয়গিৰি উদগিৰণ হৈছিল। এই আগ্নেয়গিৰি উদগিৰণৰ ফলত সৃষ্টি হোৱা ছাইৰ ধোৱা প্ৰশান্ত মহাসাগৰৰ পূব দিশে আগবাঢ়িছে। অৱশ্যে ইয়াৰ বাবে কোনো জনবসতি থকা অঞ্চলত ক্ষতি নহয়। আগ্নেয়গিৰিটোৰ  ২০০ কিলোমিটাৰ উত্তৰ থকা অঞ্চলসমূহ সূক্ষ্মভাৱে নিৰীক্ষণ কৰি থক হৈছে। প্ৰশাসনে সেই অঞ্চলত বাস কৰা লোক আৰু পৰ্যটকসকলক সেই ঠাইৰ আন সক্ৰিয় আগ্নেয়গিৰিসমূহৰ যাতে নাযায় তাৰ বাবে আহ্বান জনাইছে।

০০০০০

চত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাই আৰু ৰাজ্য বিধানসভাৰ অধ্যক্ষ ড০ ৰমন সিঙে আজি ৰায়পুৰ ৰে’ল ষ্টেচনৰ পৰা পতাকা জোকাৰি ৰায়পুৰ-জববলপুৰ নতুন এক্সপ্ৰেছ ৰে’লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, মনুসুখ মন্দাভিয়া আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন য়াদৱে ভাৰ্চুৱেলী এই অনুষ্ঠানত উপস্থিত থাকে। মুখ্যমন্ত্ৰী ছাইয়ে কয়, যে যোৱা দশকত চত্তিশগড়ৰ ৰে’ল বিভাগৰ বাজেট ২১ বাৰ বৃদ্ধি কৰা হৈছে আৰু এই বছৰ বিভাগটোৰ বাবে ৬ হাজাৰ ৯০০ কোটি টকা আৱণ্টন দিয়া হৈছে। তেওঁ কয়, যে চত্তিশগড়ত ৪৭ হাজাৰ কোটিতকৈও অধিক টকা ব্যয়ৰে ৰে’ল প্ৰকল্প ৰূপায়ণ কৰা হৈছে, যিয়ে ৰাজ্যখনত ৰে’লৰ যাতায়াত সুগম কৰাৰ লগতে ৰে’লযাত্ৰীসকলক অধিক সুবিধা প্ৰদান কৰিব।

০০০০০

ভাৰতৰ বিৰুদ্ধে অ'ভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিম টেষ্টখনৰ আজি চতুৰ্থ দিনা ইংলেণ্ডে দ্বিতীয় ইনিংছত ৩৭৪ ৰাণৰ বিজয় লক্ষ্যৰে খেলি বাতৰি যুগুতোৱাৰ পৰলৈকে তিনিটা উইকেট হেৰুৱাই ২২৯ ৰাণ সংগ্ৰহ কৰিছে। বেন ডাকেটে ৫৪, অধিনায়ক অ'লি পোপে ২৭ ৰাণ কৰি আউট হ'লেও হেৰি ব্ৰুকে আক্ৰমণাত্মক বেটিং প্ৰদৰ্শনেৰে ৭৫ আৰু জ' ৰুটে ৫০ ৰাণ কৰি খেলি আছে। দুয়ো চতুৰ্থ উইকেটৰ যুটিত শতাধিক ৰাণ যোগ দি দলক ক্ৰমে জয়ৰ দিশে আগুৱাই লৈ গৈ আছে। ভাৰতৰ হৈ মহম্মদ চিৰাজে দুটা আৰু প্ৰসিদ্ধ কৃষ্ণই এটা উইকেট দখল কৰিছে।

০০০০০

সমাপ্ত